# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে দেশৰ সৰ্ববৃহৎ গোলকীয় বস্ত্ৰ মহোৎসৱ অনুষ্ঠিত হৈছে।

২। ভাৰত আৰু ব্ৰিটেইনৰ মাজত সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্যিক চুক্তি কাইলৈৰ পৰা কাৰ্যকৰী হ'ব।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰই যোৱা নিশাও ইৰানত আক্ৰমণ চলায়।

৪। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি এডবাষ্টনত অনুষ্ঠিত হ'ব।

**আৰু**

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি ফ্ৰান্স, স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে দেশৰ সৰ্ববৃহৎ গোলকীয় বস্ত্ৰ মহোৎসৱ ভাৰত টেক্স ২০২৬ অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে এই চাৰিদিনীয়া মহোৎসৱ উদ্বোধন কৰে। এই উপলক্ষে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অনুযায়ী এই মহোৎসৱৰ আয়োজন কৰা হৈছে। তেওঁ কয়, যে এই মহোৎসৱ ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় মহোৎসৱলৈ ৰূপান্তৰিত হৈছে আৰু প্ৰতি বছৰে মহোৎসৱত অংশগ্ৰহণ কৰা প্ৰদৰ্শনকাৰী আৰু ক্ৰেতা-বিক্ৰেতাৰ সংখ্যা বৃদ্ধি পাইছে। এই বছৰ মহোৎসৱত ১৩০ খন দেশৰ ৬০ হাজাৰৰো অধিক ক্ৰেতা আৰু প্ৰদৰ্শনকাৰীয়ে অংশগ্ৰহণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বিভিন্ন দেশৰ সৈতে স্বাক্ষৰিত মুক্তি বাণিজ্য চুক্তিৰ পৰা দেশৰ বস্ত্ৰ খণ্ড যথেষ্ট লাভান্বিত হৈছে।

০০০০

ভাৰত আৰু ব্ৰিটেইনৰ মাজত সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্যিক চুক্তি কাইলৈৰ পৰা কাৰ্যকৰী হ'ব। এই ঐতিহাসিক চুক্তিৰ অধীনত ভাৰতৰ পৰা ৰপ্তানী কৰা সা-সামগ্ৰীসমূহৰ ক্ষেত্ৰত ব্ৰিটেইনৰ বজাৰৰ ৯৯ শতাংশ শূন্য শুল্কৰ সুবিধা প্ৰযোজ্য হ'ব। এই চুক্তিখনে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰা আৰু পৰস্পৰৰ জনসাধাৰণৰ সমৃদ্ধিৰ প্ৰতি দুয়ো দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত কৰে। ২০২১ চনত বৰ্ধিত

বাণিজ্যিক সহযোগিতা আৰু ২০৩০ চনৰ বাবে ভাৰত-ব্ৰিটেইনৰ বৃহৎ পৰিকল্পনা গ্ৰহণেৰে এই চুক্তিৰ ভেটি গঢ়া উচিত। চুক্তিখনৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত দুয়ো দেশৰ মাজৰ বাণিজ্যৰ পৰিমাণ দুগুণলৈ বৃদ্ধি কৰি ১০ হাজাৰ কোটি আমেৰিকান ডলাৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

০০০০

অসম বিধানসভাৰ ষোড়শ অধিৱেশনত আজি সপ্তম দিনা প্ৰশ্নোত্তৰ ঘণ্টাৰে সদনৰ কাম-কাজ আৰম্ভ হয়। সদনৰ শূন্যকালীন ঘণ্টাতো কেইবাটাও বিষয় সন্দৰ্ভত শাসক বিৰোধী উভয়ে আলোচনা কৰে। বিধায়ক অখিল গগৈয়ে আজি ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ মৰণীয়া বানচ - অ' পি এছ্ আঁচনি সন্দৰ্ভত পৰিপূৰক প্ৰশ্ন উত্থাপন কৰে। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিধায়কগৰাকীৰ এই প্ৰশ্নৰ উত্তৰ দিয়ে। আজি বিধানসভাত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

ইফালে, কালি ষষ্ঠ দিনা হাতী-মানুহৰ সংঘাতক লৈ ব্যাপক আলোচনা অনুষ্ঠিত হয়। বিধায়ক পদ্ম হাজৰিকাই ভাৰত-ভূটান সীমান্তত বনৰীয়া হাতীৰ উপদ্ৰৱ আৰু হাতী-মানুহৰ সংঘাতক লৈ উত্থাপন কৰা বিষয়টো সন্দৰ্ভত বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সদনক তথ্য দিয়ে। কাইলৈ অসম বিধানসভাৰ কেন্দ্ৰীয় কক্ষত ৰাজ্যৰ হাতী আৰু বান্দৰৰ উপদ্ৰৱ অধিক হোৱা সমষ্টিসমূহৰ বিধায়কসকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব বুলি বন মন্ত্ৰীগৰাকীয়ে সদনত উল্লেখ কৰে।

ইয়াৰ আগেয়ে বিধায়ক হাজৰিকাই কয়, যে হাতী-মানুহৰ সংঘাতৰ ফলত বিগত তিনি বছৰত ১২০ টা হাতী আৰু কমেও ৩৬৩ জন লোকৰ মৃত্যু হৈছে। বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সদনত এই সংঘাত দূৰ কৰাৰ বাবে হাতীৰ উপযোগী খাদ্য যোগানকে ধৰি বিভিন্ন পদক্ষেপ লোৱাৰ পৰিকল্পনা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০

জম্মুৰ এখন বিশেষ এন আই এ আদালতে পাকিস্তান সমৰ্থিত তথা দেশখনৰ পৰা কাম-কাজ চলাই থকা সন্ত্ৰাসবাদী সংগঠন লস্কৰ ই তৈবাৰ মুৰব্বী হাফিজ ছয়ীদৰ বিৰুদ্ধে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে। এবছৰ পূৰ্বে সংঘটিত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ গোচৰত সন্ত্ৰাসবাদী নেতা ছয়ীদৰ বিৰুদ্ধে এই পৰোৱানা জাৰি কৰা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি এন আই এ আদালতৰ বিশেষ ন্যায়াধীশে ৮ জুলাইত এই নিৰ্দেশ দিয়ে। ইয়াৰ দুদিন পূৰ্বে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ গোচৰত ছয়ীদৰ বিৰুদ্ধে এন আই এ পৰিপূৰক অভিযোগনামা দাখিল কৰিছিল। এই অভিযোগনামাত ৭৬ বছৰীয়া সন্ত্ৰাসবাদী নেতাজনক লস্কৰ ই তৈবাৰ মুৰব্বী হিচাপে আৰু ইয়াৰ সহযোগী সংগঠন দ্যা ৰেজিষ্টেন্স ফ্ৰন্টৰ নিয়ন্ত্ৰক হিচাপে উল্লেখ কৰা হৈছে। তেওঁক ভাৰতীয় ন্যায় সংহিতাৰ কেইবাটাও ধাৰাত অভিযুক্ত কৰাৰ লগতে অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনতো অভিযুক্ত কৰা হৈছে। আদালতৰ নিৰ্দেশ অনুসৰি এন আই এ পাকিস্তানৰ পাঞ্জাব প্ৰদেশৰ চাৰগোধাৰ বাসিন্দা হাফিজ ছয়ীদক পেহেলগাম ঘটনাৰ অন্যতম অভিযুক্ত হিচাপে চিহ্নিত কৰিছে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই একেৰাহে তৃতীয় নিশাৰ বাবে ইৰানত আক্ৰমণ চলায়। আমেৰিকাৰ সামৰিক বাহিনীৰ ছেণ্ট্ৰেল কমাণ্ডে প্ৰকাশ কৰা অনুসৰি ইৰানৰ আবু মুছা, বন্দৰ আববাছ, বুশ্বেহৰ চাবাহাৰ, জাস্ক আৰু কোনাৰকত আক্ৰমণ চলোৱা হৈছে। ইৰানৰ উপকূলীয় প্ৰতিৰক্ষা ব্যৱস্থা, ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন ক্ষেত্ৰৰ লগতে দেশখনৰ নৌ শক্তিক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হয়। ইৰানে এই আক্ৰমণৰ কথা স্বীকাৰ কৰিছে যদিও কোনো ধৰণৰ ক্ষয়ক্ষতি বা হতাহতৰ খবৰ প্ৰকাশ কৰা নাই। চেণ্ট্ৰেল কমাণ্ডে প্ৰকাশ কৰা মতে হৰমুজ প্ৰণালীত বাণিজিক জাহাজক আক্ৰমণ বন্ধ নকৰালৈকে ইৰানৰ ওপৰত আক্ৰমণ অব্যাহত থাকিব। ইপিনে আমেৰিকাৰ আক্ৰমণৰ প্ৰত্যুত্তৰত ইৰাণে বাহৰেইন আৰু জৰ্দানত আক্ৰমণ চলোৱাৰ লগতে হৰমুজ প্ৰণালীত সংযুক্ত আৰব আমীৰশ্বাহীৰ দুখন তেলবাহী জাহাজত আক্ৰমণ কৰে। এই ঘটনাত এজন নাবিক নিহত হোৱাৰ লগতে ৮জন নাবিক আহত হয়। ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি ইৰানৰ আক্ৰমণত তেলবাহী জাহাজখনত থকা এগৰাকী ভাৰতীয় নাবিকৰ মৃত্যু হয়। আহতসকলৰ ছজন ভাৰতৰ আৰু দুজন ইউক্ৰেইনৰ নাগৰিক বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিয়ে। জৰ্দানৰ সেনাবাহিনীয়ে কয়, যে ইৰানে দেশখনক লক্ষ্য কৰি নিক্ষেপ কৰা চাৰিটা ক্ষেপনাস্ত্ৰ ধবংস কৰা হৈছে। ইপিনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানৰ সন্দেহযুক্ত পাৰমাণৱিক ক্ষেত্ৰ পিকাজে মাউণ্টেইন ধবংস কৰি দিয়া ভাবুকি দিছে। পশ্চিমীয়া চোৰাংচোৱাই সন্দেহ কৰা অনুসৰি নাটাঞ্জৰ ওচৰৰ এই পাৰমাণৱিক ক্ষেত্ৰত ইৰানে গোপন পৰীক্ষা-নিৰীক্ষা চলাই আছে।

কালি ৰাষ্ট্ৰপতি ট্ৰাম্পে ঘোষণা কৰিছিল যে, হৰমুজ প্ৰণালীত ইৰানৰ জাহাজৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হ'ব আৰু প্ৰণালীটোত নিৰাপত্তাৰ নামত হোৱা ব্যয় মিলাবলৈ প্ৰতিখন বাণিজ্যিক জাহাজৰ পৰা ২০ শতাংশ মাচুল আৰোপ কৰা হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে হৰমুজত কেৱল ইৰানৰ জাহাজ আৰু ইৰানৰ সৈতে বাণিজ্যিক সম্পৰ্ক থকা জাহাজকহে নিষিদ্ধ কৰা হ'ব। তেওঁ লগতে অন্যান্য দেশৰ বাণিজ্যিক জাহাজক প্ৰণালীটোৰে মুক্ত চলাচলৰ সুবিধা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইৰানে আমেৰিকাৰ বক্তব্যক অগ্ৰাহ্য কৰি হৰমুজ প্ৰণালীত নিজৰ নিয়ন্ত্ৰণ অব্যাহত থাকিব বুলি ঘোষণা কৰিছে। দেশখনৰ চৰকাৰী মাধ্যমৰ বাতৰি অনুসৰি সেনাৰ কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ৰ মুখপাত্ৰ ব্ৰিগেডিয়াৰ জেনেৰেল ইব্ৰাহিম জলফাঘাৰিয়ে কয়, যে যিকোনো পৰিস্থিতিতে ইৰানে হৰমুজ প্ৰণালীত আমেৰিকাৰ নিয়ন্ত্ৰণ মানি নলয়। তেওঁ লগতে সকীয়াই দিয়ে যে, আমেৰিকাৰ সেনা বাহিনীক সমৰ্থন দিয়া যিকোনো স্থানীয় দেশক ইৰানৰ শত্ৰু বুলি গণ্য কৰা হ'ব।

০০০০

কাটাৰৰ পিতৃ স্বৰূপ আমিৰ শ্বেখ হামাদ বিন খালিফা আল থানিৰ মৃত্যুত ভাৰত চৰকাৰ আৰু জনসাধাৰণৰ হৈ সংসদীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰী কিৰেণ ৰিজিজুৱে শোক আৰু সহমৰ্মিতা প্ৰকাশৰ উদ্দেশ্যে আজি দোহা অভিমুখে ৰাওনা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে প্ৰয়াত আমিৰ শ্বেখ আধুনিক কাটাৰৰ নিৰ্মাতা আছিল আৰু ভাৰতৰ সৈতে তেওঁৰ গভীৰ বন্ধুত্ব আছিল। ভাৰত কাটাৰৰ সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত আমিৰ শ্বেখৰ বহুমুলীয়া অৱদান স্মৰণীয় হৈ ৰব বুলিও বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত হ'বলগীয়া তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বাৰ্মিংহামৰ এডগবাষ্টনত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে তিনি বজাত অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ভাৰতীয় দলটোত বিৰাট কোহলি, ৰোহিত শৰ্মা, যশপ্ৰীত বুমৰাই অংশগ্ৰহণ কৰিব। আয়াৰলেণ্ড আৰু ইংলেণ্ডৰ বিৰুদ্ধে টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাত পৰাজিত হোৱাৰ পাছত ভাৰতে এই প্ৰতিযোগিতাত জয়ৰ বাবে প্ৰচেষ্টা চলাব।

শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটোৱে অহা বৃহস্পতিবাৰে কাৰ্ডিফত দ্বিতীয়খন এদিনীয়া খেলাৰ বিপৰীতে অহা ১৯ জুলাইত লৰ্ডছত তৃতীয় তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব।

০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্স, স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আৰ্জেণ্টিনা আৰু ইংলেণ্ড মুখামুখি হ'ব। খেলখন কাইলৈ নিশা চাৰে ১২ বজাত অনুষ্ঠিত হ'ব।

০০০০

ভাৰতৰ পি ভি সিন্ধুৱে জাপান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। অলিম্পিকত দুবাৰকৈ পদক বিজয়ী খেলুৱৈগৰাকীয়ে আজি মহিলাৰ ছিংগলছৰ প্ৰাৰম্ভিক পৰ্যায়ৰ এখন খেলত মালয়েছিয়াৰ ৰং লিং চিঙক ২১-১৪, ২১-১১ পোনপটীয়া গেমত পৰাস্ত কৰে।

একেদৰে মিক্সড ডাবলছত ভাৰত টনিছা ক্ৰাষ্টো আৰু ধ্ৰুৱ কপিলাৰ যুটীটোৱে স্কটলেণ্ডৰ আলেকজেণ্ডাৰ ডুন আৰু জুলী মেকফাৰ্ছনক ২১-১৬, ২১-১৪ গেমত পৰাভূত কৰি পৰৱৰ্তী ৰাউণ্ডত স্থান নিশ্চিত কৰে। পুৰুষৰ ছিংগলছত আয়ুষ ছেট্টী আৰু লক্ষ্য সেনে কাইলৈ অভিযান আৰম্ভ কৰিব। লক্ষ্য সেন জাপানৰ কেণ্টা ৰাটানবি আৰু আয়ুষ পূৰ্বৰ বিশ্ব ছেম্পিয়ন থাইলেণ্ডৰ কুনলাভুট ভিটিডচাৰ্নৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত